জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১/২০২১**

# শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাৰ শপত গ্ৰহণ

## ১৩ গৰাকী মন্ত্ৰীৰো পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ

**দিছপুৰ, ১০ মে’ ঃ** আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে মুখ্যমন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়।

আনহাতে, এই অনুষ্ঠানতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী হিচাপে ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাও গৌৰা ব্ৰহ্ম, পৰিমল শুক্লবৈদ্য, চন্দ্ৰমোহন পাটোৱাৰী, কেশৱ মহন্ত, ডাঃ ৰণোজ পেগু, সঞ্জয় কিষাণ, যোগেন মহন, অজন্তা নেওগ, অশোক সিংহাল, পীযুষ হাজৰিকা আৰু বিমল বৰাই পদ আৰু গোপনীয়তাৰ শপত লয়।

আজিৰ এই অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ড’নাৰ মন্ত্ৰী জীতেন্দ্ৰ সিং, মেঘালয়, মণিপুৰ, নগালেণ্ড আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীসকল, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, বিজেপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক সম্পাদক বি এল সন্তোষ, ৰাজ্যিক বিজেপিৰ প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডা, কেইবাগৰাকীও সাংসদ, নৱনিৰ্বাচিত বিধায়কসকল, বিৰোধী দলৰ কেইবাগৰাকীও নেতা, ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতাসকল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ, পত্নী তথা পৰিয়ালৰ আন সদস্যসকল আৰু বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**পুঃডেঃ / বীঃগঃ / বঃভাঃ / সুঃদঃ / স্বাক্ষৰ / প্ৰঃকুঃবঃ**
**১০/০৫/২০২১**